**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-10-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

অহা ১৩ নৱেম্বৰত ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ কালি পৰীক্ষা কৰা হয়। অৱশ্যে চামগুৰি বিধানসভা সমষ্টিৰ মনোনয়ন পত্ৰ পৰীক্ষাৰ পৰিক্ষণ প্ৰক্ৰিয়া আজি পুৱা ১১ বজালৈ স্থগিত ৰখা হৈছে। কালি মনোনয়ন পত্ৰ পৰীক্ষা কৰা অনুসৰি ধলাই সমষ্টিত ৯-গৰাকী, ছিদলী সমষ্টিত ৩গৰাকী, বঙাইগাঁও সমষ্টিত ৮ গৰাকী, বিহালী সমষ্টিত ৪গৰাকী প্ৰাৰ্থীৰ ভিতৰত আটাইকেইগৰাকী প্ৰাৰ্থীৰেই মনোনয়ন গৃহীত হয়। ধলাই সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী অমিয় কান্তি দাসে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আহ্বানৰ প্ৰতি সঁহাৰি জনাই দাসে মনোনয়ন পত্ৰ দাখিল কৰা বুলি সদৰি কৰিছে। উল্লেখ্য যে বিজেপিৰ কাছাৰ জিলা সমিতিৰ প্ৰাক্তন উপ সভাপতি অমিয় কান্তি দাসে প্ৰাৰ্থিত্ব লাভ নকৰাৰ পাছতে নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ঘোষণা কৰিছিল। উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম তাৰিখ অহা ৩০ অক্টোবৰ ধাৰ্য কৰা হৈছে।

০০০০০০

চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আজি দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো একতাৰ দৌৰ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে ভাৰতৰ আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সৈতে এই কাৰ্যসূচীৰ আয়োজন কৰিছে। পুৱা চাৰে ৬ বজাত আৰম্ভ হোৱা এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে।

০০০০০০

যোৰহাট আৱৰ্ত ভৱনত জিলা আয়ুক্তৰ অধ্যক্ষতাত তিতাবৰ সমজিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তৰ উপস্থিতিত খাদ্য আৰু অসামৰিক যোগান বিভাগ, কৃষি বিভাগ, মিলাৰ্ছ আৰু সংশ্লিষ্ট বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ সৈতে ধান ক্ৰয় সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে ২০২৪-২৫ বৰ্ষৰ খাৰিফ মাৰ্কেটিং চিজনট ৫০০০ মেট্ৰিটন ধান ক্ৰয় লক্ষ্যত উপনীত হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মিলাৰ্ছ আৰু খাদ্য আৰু অসামৰিক যোগান তথা কৃষি বিভাগক এই প্ৰচেষ্টাত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। তদুপৰি জিলা আয়ুক্তগৰাকীয়ে কৃষকসকলৰ উৎপাদিত সামগ্ৰী উচিত মূল্য নিশ্চিত কৰাৰ লক্ষ্যৰে প্ৰতি কুইণ্টল ধানত ন্যূনতম সমৰ্থন মূল্যতকৈ কম দামত যাতে বিক্ৰি নকৰে সেয়া নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ প্ৰদান কৰে।

০০০০০০

যোৰহাটত অনুষ্ঠিত বি ডিভিজন ফুটবল লীগৰ কালি অনুষ্ঠিত চূড়ান্ত খেলত অসম ৰেঞ্জাৰ এফ চিয়ে অনিৰুদ্ধ স্পৰ্টছ ক্লাবক ২-০ ব্যৱধানত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। অসম ৰেঞ্জাৰ এফ চিৰ হৈ অনমিত্ৰ

বৰা আৰু ঋতুপল্লব চলিহাই ক্ৰমে খেলৰ তৃতীয় মিনিট আৰু ৭৯ মিনিটত গ'ল কৰি দলটোৰ বিজয় নিশ্চিত কৰে। বিজয় সূত্ৰে  বাপুৰাম কটকী সোঁৰৰণী বঁটা লাভ কৰা অসম ৰেঞ্জাৰ এফ চিৰ মানস সোণোৱালে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। বঁটাসমূহ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জুল খাউণ্ড আৰু ক্ৰীড়া সংগঠক বিপুল দুৱৰাই প্ৰদান কৰে। প্ৰতিযোগিতাৰ ফাইনেলত উপনীত হোৱাৰ সুবাদত চেম্পিয়ন দল অসম ৰেঞ্জাৰ এফ চি আৰু অনিৰুদ্ধ দেৱ স্পৰ্টছ্ ক্লাবে ২০২৫ বৰ্ষৰ এ-ডিভিজন লীগত খেলাৰ সুযোগ লাভ কৰিব।

০০০০০০

গোলাঘাট জিলাৰ মেৰাপানী আৰক্ষীয়ে নিশা ১৭ বস্তা চুপাৰীসহ এখন ট্ৰাক জব্দ কৰে। গোপন সূত্ৰৰ পম খেদি মেৰাপানীৰ তৰানি অঞ্চলত অভিযান চলাই আৰক্ষীয়ে নাগালেণ্ডৰ পৰা যোৰহাটৰ দিশে অবৈধভাৱে চুপাৰি কঢ়িয়াই অনা এ এছ ০১-এম চি ৭০৯৬ পঞ্জীয়ন নম্বৰৰ  ট্ৰাকখন জব্দ কৰিবলৈ সক্ষম হয়। অৱশ্যে আৰক্ষীৰ অভিযানৰ উমান পাই ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেনে পলায়ন কৰে।

০০০০০০

হকী ইণ্ডিয়াই চলিত বৰ্ষৰ মহিলাৰ এছিয় চেম্পিয়নছ্ ট্ৰফী প্ৰতিযোগিতাৰ বাবে ১৮ জনীয়া ভাৰতীয় দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। বিহাৰৰ ৰাজগীৰ হকী ষ্টেডিয়ামত অহা মাহৰ ১১ৰ পৰা ২০ তাৰিখলৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। হকী ইণ্ডিয়াৰ ঘোষণা অনুসৰি মিড ফিল্ডাৰ ছালিমা টেটেই বিগত বৰ্ষৰ বিজয়ী ভাৰতীয় দলটোক নেতৃত্ব দিয়াৰ বিপৰীতে ফৰৱাৰ্ড খেলুৱৈ নৱনীত কৌৰে উপ-অধিনায়কৰ দায়িত্ব পালন কৰিব।

প্ৰতিযোগিতাৰ প্ৰথম দিনটোত ভাৰতে মালয়েছিয়াৰ বিৰুদ্ধে খেলেৰে অভিযান আৰম্ভ কৰিব। ইয়াৰ পৰৱৰ্তী খেলসমূহত ঘৰুৱা দলটো ক্ৰমে চীন, জাপান, কোৰিয়া আৰু থাইলেণ্ডৰ মুখামুখি হ'ব।

০০০০০০

সমাপ্ত